# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-12-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাট নগৰ পানীযোগান আঁচনিৰ আধাৰশিলা স্থাপন কৰে। যোৰহাট জিলাৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে জিলাখনৰ মুঠ ১২ হেজাৰ ৬৪৭ গৰাকী ঋণীলৈ মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত ঋণ মকুব প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়। আজিৰ এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগৰ আনুষ্ঠানিকৰণ আঁচনিৰ অধীনত ৩৬৬ গৰাকীলৈ মূলধনী বিনিয়োগৰ ৰাজসাহায্য আৰু দুৰ্যোগ ক্ষতিগ্ৰস্ত ৫টা পৰিয়াললৈ আৰ্থিক সাহায্য আগবঢ়োৱা হয়। অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিত্তমন্ত্ৰী তথা যোৰহাটৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগো উপস্থিত আছিল।

ooooo

ৰাজ্যৰ শিক্ষা বিভাগে প্ৰথমবাৰৰ বাবে বিশেষভাৱে গণিতৰ শিক্ষকৰ পদ সৃষ্টি কৰিছে। শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে আজি সাংবাদিকৰ আগত প্ৰকাশ কৰে যে, আগতে ৰাজ্যৰ বিদ্যালয়সমূহত বিজ্ঞান বিষয়ৰ শিক্ষক নিয়োগ কৰা হৈছিল আৰু তেওঁলোককে গণিতৰ শিক্ষা প্ৰদানৰো দায়িত্ব দিয়া হৈছে। এইবাৰ প্ৰথমবাৰৰ বাবে চৰকাৰে এহেজাৰ ৭৬০ টা গণিত শিক্ষকৰ পদ সৃষ্টি কৰাৰ সিদ্ধান্ত লৈছে। প্ৰতিখন মাধ্যমিক বিদ্যালয়ত একোজন গণিতৰ শিক্ষক আছুতীয়াকৈ থকাৰ ব্যৱস্থা কৰা হ'ব বুলি উল্লেখ কৰি পৰ্যায়ক্ৰমে এই পদৰ সংখ্যা বৃদ্ধি কৰা হ'ব।

ooooo

গুৱাহাটী মহানগৰীৰ বৰাগাঁৱত সংঘটিত দলবদ্ধ ধৰ্ষণৰ ঘটনা সন্দৰ্ভত আজি পুৱতি নিশা আৰক্ষীয়ে অভিযান চলাই ৭ জন অভিযুক্তক আটক কৰিছে। গুৱাহাটীৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাই প্ৰকাশ কৰা অনুসৰি ৫ দিন পূৰ্বে বৰাগাঁৱৰ দূৰ্গা মন্দিৰ প্ৰাংগনত ১৮ বছৰৰ পৰা ২৩ বছৰ বয়সীয়া এই বিকৃত মানসিকতাৰ যুৱককেইজনে ৰাস চাই উভতি অহা এগৰাকী যুৱতীক দলবদ্ধভাৱে ধৰ্ষণ কৰে আৰু এই দৃশ্য ম'বাইল ফোনত আবদ্ধ কৰে। এগৰাকী সাংবাদিকে এই আপত্তিজনক ভিডিঅ' গড়চুক আৰক্ষীক জমা দিয়াৰ পাছত গড়চুক থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ময়ুৰজিৎ গগৈৰ নেতৃত্বত এটা দলে আজি পুৱতি নিশা কেইবা ঠাইতো অভিযান চলাই অভিযুক্ত কেইগৰাকীক আটক কৰে। এই ঘটনাৰ আন তিনিজন অভিযুক্ত এতিয়াও পলাতক অৱস্থাত আছে। অভিযুক্ত কেইজনক আজিয়েই আদালতত হাজিৰ কৰোৱা হয়।

ooooo

বিশিষ্ট শিক্ষাবিদ, তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য তথা শিক্ষা বিভাগৰ প্ৰাক্তন উপদেষ্টা ডং মিহিৰকান্তি চৌধুৰীৰ আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৭ বছৰ।

খড়গপুৰৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, জাৰ্মানীৰ ব'চামৰ ৰুৰ বিশ্ববিদ্যালয় আৰু কল্যাণী বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰা ডঃ চৌধুৰী এগৰাকী প্ৰসিদ্ধ অজৈৱ ৰসায়নবিদ হিচাপে দেশ বিদেশত পৰিচিত আছিল। গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ লগতে দেশৰ কেইবাখনো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত ডঃ চৌধুৰীয়ে অধ্যাপকৰূপে সেৱা আগবঢ়াইছিল। বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদ আৰু ভাৰতীয় ৰাষ্ট্ৰীয় বিজ্ঞান একাডেমীৰ নিৰ্বাচিত বিজ্ঞানী প্ৰয়াত চৌধুৰীয়ে ১৯৮৯ চনত শান্তিস্বৰূপ ভাটনাগৰ বঁটাকে ধৰি বহুকেইটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰে সন্মানিত হৈছিল। তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা আৰু উন্নয়নৰ ক্ষেত্ৰত তেখেতৰ ভূমিকা উল্লেখনীয় আছিল।

চৌধুৰীৰ মৃত্যুত অসমৰ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই শোক প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰয়াত চৌধুৰীয়ে অসমৰ উচ্চ শিক্ষাৰ বিকাশত অতুলনীয় অৰিহণা আগবঢ়াই থৈ গৈছে। তেওঁৰ মৃত্যু ৰাজ্য আৰু দেশৰ বাবে অপূৰণীয় ক্ষতি। অধ্যাপক মিহিৰকান্তি চৌধুৰীৰ মৃত্যুত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, তেজপুৰ বিশ্ববিদ্যালয় সমাজৰ লগতে ৰাজ্যৰ বহু বিশিষ্ট ব্যক্তি আৰু দল সংগঠনে শোক প্ৰকাশ কৰিছে।

ooooo

বিশিষ্ট কবি, সু-লেখিকা মীৰা ঠাকুৰে যোৱা নিশা হৃদৰোগজনিত ৰোগত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮২ বছৰ। তেজপুৰত জন্মগ্ৰহণ কৰা মীৰা ঠাকুৰে যোৰহাটৰ দেৱী চৰণ বৰুৱা ছোৱালী মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। তেওঁ কিছুদিন ডিফু চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতাও কৰিছিল। তেজত ফুলত ওঁঠত, বন বকুলৰ সুঁহুৰী, নিছিগা সুঁতাৰ ধাৰ– হৈছে তেওঁৰ উল্লেখযোগ্য কাব্য সংকলন। অসম চৰকাৰৰ সাহিত্যিক পেন্সনেৰে সন্মানিত মীৰা ঠাকুৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সৈতেও জড়িত আছিল। ১৯৯৭ চনত তেওঁৰ কবিতা আকাশবাণীৰ সৰ্বভাৰতীয় কবি সন্মিলনলৈ নিৰ্বাচিত হৈছিল। অসম কবি সমাজ, শতদল সাহিত্য সভা, সদৌ অসম লেখিকা সন্থাকে ধৰি ভালেকেইটা সাহিত্য-সংস্কৃতি সংগঠনৰ সৈতে জড়িত মীৰা ঠাকুৰৰ নশ্বৰ দেহৰ অন্তেষ্টিক্ৰিয়া আজি দিনৰ ভাগত নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হয়। ৰাজ্যখনৰ কেইবাগৰাকীও কবি, সাহিত্যিকে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

ooooo

নগাঁও জিলাৰ মৰিকলং আৰক্ষীয়ে কালি নিশা নগাঁও চহৰৰ সমীপৱৰ্তী ধেপাজান কুটাইনি অঞ্চলত অভিযান চলাই বহু পৰিমাণৰ ড্ৰাগছসহ আজাজুল হক নামৰ এজন যুৱকক আটক কৰে। আৰক্ষীয়ে ধৃত যুৱকজনৰ পৰা তিনিটা ড্ৰাগছ ভৰ্তি কণ্টেনাৰসহ প্ৰায় ৮৫৩ টা নিষিদ্ধ টেবলেট আৰু নগদ ধন জব্দ কৰে। এই সন্দৰ্ভত আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

ooooo

ৰাজ্যজুৰি খেল মহাৰণৰ দ্বিতীয় পৰ্যায় আৰম্ভ হৈছে। কাৰ্বি আংলং জিলাৰ বোকাজান বিধানসভা সমষ্টিত আজিৰে পৰা ১৫ ডিচেম্বৰলৈ চলিবলগীয়া বিধানসভা সমষ্টিৰ দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ অসম বিধানসভাৰ উপাধ্যক্ষ নোমল মমীনে শুভাৰম্ভ কৰে। যোৰহাট জিলাৰ মৰিয়নিতো খেল মহাৰণৰ দ্বিতীয় পৰ্যায় আৰম্ভ হৈছে।

ooooo

সমাপ্ত